**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক আজি অমৃত ষ্টেচনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব।

উল্লেখযোগ্য যে ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনটো অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

oooooo

ৰাজ্যত সংগীত উৎসৱ পৰ্যটন অৰ্থনীতি গঢ়াৰ বাবে উন্নতমানৰ সংগীতানুষ্ঠান আয়োজনৰ স্থানসমূহ বিশ্বমানৰ পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে বিকশাই তুলিবলৈ কালি অসম মন্ত্ৰীসভাৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি ২০২৫ত মন্ত্ৰীসভাই অনুমোদন জনায়। সেই অনুসৰি ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ ৫০০ মেগাৱাট সৌৰশক্তি উৎপাদন তথা ৰাজ্যত ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগক আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। কালিৰ বৈঠকতে লাচিত বৰফুকন আৰক্ষীৰ একাডেমীৰ উন্নয়নৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২২৯ কোটি ৪১ লাখ টকা ব্যয়ৰ প্ৰশাসনিক অনুমোদন জনায়। দুবছৰৰ ভিতৰত দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী ৰূপ দিয়াৰ বাবে চহৰখনত নতুন বিধায়িনী পৰিসৰ আৰু বিধায়ক আৱাস নিৰ্মাণৰ বাবে মন্ত্ৰীসভাই ২৮৪ কোটি ৩ লাখ টকা আবণ্টনত অনুমোদন জনায়। বৈঠকত মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়ামৰ আসনৰ সংখ্যা ৫ হাজাৰৰ পৰা ৩৫ হাজাৰলৈ বৃদ্ধি কৰি ইয়াক ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়াম ৰূপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। খনিকৰ ক্ৰীড়া পৰিসৰ উন্নীতকৰণৰ বাবে মন্ত্ৰীসভাই ২০৯ কোটি ১৩ লাখ টকাৰ আবণ্টনতো অনুমোদন জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনৰ ৪৭ হাজাৰ ৩০৬ হেক্টৰ অঞ্চলৰ চূড়ান্ত অধিসূচনা প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সম্প্ৰসাৰণৰ অধীনত গোপালঝাৰণি, গোনাইটাপু, ঠুটেচাপৰি, জবৰে, বালিগাঁও, বিশ্বনাথ ঘাট, উমাটুমনি, গাখীৰখাইতী, শিলঘাট আৰু হাতীমূৰা গাঁওসমূহ অন্তৰ্ভুক্তি আওতাৰ বাহিৰত ৰখা হৈছে। বৈঠকৰ সিদ্ধান্ত অনুসৰি অসম চাহ কোম্পানী লিমিটেডৰ চাহ শ্ৰমিকৰ বাবে অহা ১ অক্টোবৰৰ পৰা দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে।

০০০০০০

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ১১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ধলা শদিয়া দলঙৰ পৰা তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৰ শান্তিপুৰ চকীলৈ পথছোৱা বিকশাই তুলিব। ৰাজ্যৰ লোকনিৰ্মাণ বিভাগে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পৰ বাবে ৪০ কোটি ৯ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। লোকনিৰ্মাণ বিভাগে ২৯০ দিনৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত লোকনিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাই এই পথছোৱা নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি বানৰ আগতীয়া প্ৰস্তুতিৰ অংশ হিচাপে ৩৫ খন জিলা আৰু ৩৯ খন সমজিলাৰ বাবে ১০০ কোটি টকা মোকলাই দিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান প্ৰস্তুতি সন্দৰ্ভত ইতিমধ্যে কেইবাখনো বৈঠক অনুষ্ঠিত হৈছে আৰু সম্ভাব্য বান পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে জিলা আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়া হৈছে। তেওঁ কয়, যে মোকলাই দিয়া ধনৰাশিৰে বিষয়াসকলে বান সুৰক্ষাৰ কাম আৰম্ভ কৰিব পাৰিব আৰু সাহায্য সামগ্ৰী বিতৰণৰ বাবে সাজু হ'ব পাৰিব। জিলাসমূহক সম্ভাব্য বান পৰিস্থিতিলৈ সতৰ্ক কৰি দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলি বনাঞ্চলত কালি বন আৰক্ষীৰ গুলীত এজন চোৰাংচিকাৰীৰ মৃত্যু হয়। বনাঞ্চলখনৰ দোৱামাৰি বন শিবিৰ এলেকাত চোৰাংচিকাৰীটোৰ মৃতদেহ উদ্ধাৰ হয়। চোৰাংচিকাৰীজনৰ পৰা আৰক্ষীয়ে এটা ৰাইফল উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত বন বিভাগ আৰু আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

প্ৰকৃতি সংৰক্ষণ আৰু নাৰী সৱলীকৰণৰ লক্ষ্যৰে শিলচৰ চহৰত কালি WOMEN FOR TREES শীৰ্ষক অভিনৱ সেউজ অভিযান আৰম্ভ হৈছে। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত, অটল মিছন ফৰ ৰিজুভেনেশ্বন এণ্ড আৰবান ট্ৰান্সফৰ্মেশ্যন আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ যৌথ প্ৰচেষ্টাত শিলচৰ চহৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে নগৰীয়া স্থানীয় সংস্থা আৰু আত্মসহায়ক গোটৰ সদস্যসকলে কাছাৰ মহাবিদ্যালয়ৰ সমীপত গছপুলি ৰোপণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

WOMEN FOR TREES নতুন সেউজ বিপ্লৱ হিচাপে গঢ়ি তোলাৰ পদক্ষেপ লোৱা হৈছে। এই বিপ্লৱত সমাজৰ চালিকা শক্তি মহিলাসকলে বিশেষ ভূমিকা গ্ৰহণ কৰি প্ৰকৃতিৰ ৰক্ষক হিচাপে আত্মপ্ৰকাশ কৰিছে। শিলচৰৰ মহিলাসকলৰ এই সেউজ বিপ্লৱে জিলাখনৰ লগতে ৰাজ্যখনৰ পৰিবেশ ৰক্ষাৰ ক্ষেত্ৰত ইতিবাচক বাৰ্তা বহন কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

সমাপ্ত